# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 20-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জে মায়ুঙৰ সৈতে আলোচনাত মিলিত হ'ব।

২। অহা ২৩ এপ্ৰিলত হ'বলগীয়া পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে।

৩। তামিলনাডুৰ বিৰুধ নগৰৰ ফটকা নিৰ্মাণ কাৰখানাত সংঘটিত বিস্ফোৰণত মৃতকৰ সংখ্যা ২৩ জনলৈ বৃদ্ধি পাইছে।

৪। ত্ৰিপুৰা জনজাতি এলেকা স্বায়ত্বশাসিত জিলা পৰিষদৰ ভোটগণনাক লৈ উদ্ভৱ হোৱা অশান্ত পৰিস্থিতি সম্প্ৰতি স্বাভাৱিক হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতা যোৱানিশা অনুষ্ঠিত এখন খেলত পঞ্জাৱ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫৪ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জে মায়ুঙৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰিব। ইয়াৰ ভিতৰত জাহাজ নিৰ্মাণ, বাণিজ্য, বিনিয়োগ, কৃত্ৰিম বুদ্ধিমত্তা, ছেমিকণ্ডাক্টৰ, গুৰুত্বপূৰ্ণ আৰু বিকশিত প্ৰযুক্তি, জনসাধাৰণৰ মাজৰ সংযোগ আৰু সাংস্কৃতিক বিনিময় অন্যতম। তেওঁলোকে লগতে পাৰস্পৰিক স্বাৰ্থসম্বলিত আঞ্চলিক আৰু গোলকীয় বিষয়তো মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে মধ্যাহ্ন ভোজৰ আয়োজন কৰিব। শ্ৰীমায়ুঙে লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সৈতেও আলোচনাত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ৰাষ্ট্ৰপতি মায়ুঙক সাক্ষাৎ কৰে। ড০ জয়শংকৰে বিভিন্ন খণ্ডত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰি ৰখাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰশংসা কৰে। ড০ জয়শকৰে লগতে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ আলোচনাৰ দুয়োখন দেশৰ মাজৰ বিশেষ কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰিব বুলি আশা ব্যক্ত কৰে।

ৰাষ্ট্ৰপতি লী জে মায়ুং তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। পত্নী আৰু উচ্চ পৰ্যায়ৰ প্ৰতিনিধি, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায়ী নেতাৰ সৈতে ভাৰতলৈ অহা ৰাষ্ট্ৰপতিগৰাকীক কেন্দ্ৰীয় মন্ত্ৰী হৰ্ষ মালহোত্ৰাই বিমানবন্দৰত আদৰণি জনায়। এয়া হৈছে তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটদান কৰিবলগীয়া ভোটদাতাসকলৰ সংখ্যা প্ৰকাশ কৰিছে। চৰকাৰী তথ্য অনুসৰি এই পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ

১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ভিতৰত ১ কোটি ৮৪ লাখ ৯৯ হাজাৰ ৪৯৬ গৰাকী পুৰুষ ভোটদাতা, ১ কোটি ৭৫ লাখ ৭৭ হাজাৰ ২১০ গৰাকী মহিলা ভোটদাতা আৰু ৪৬৫ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যখনত বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ লগতে ভোটাৰ সহযোগিতা তথা যাৱতীয় নিৰাপত্তাজনিত দিশসমূহ তন্নতন্নকৈ নিৰীক্ষণ কৰা হৈছে।

অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ইতিমধ্যে প্ৰচাৰ অভিযান তুংগত উঠিছে। বিভিন্ন ৰাজনৈতিক দলসমূহৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত ৰেলী তথা ৰোড শ্ব'সমূহত অংশ লৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পশ্চিমবংগৰ ঝাৰগ্ৰাম, পুৰুলীয়া আৰু বিষ্ণুপুৰ জিলাত কেইবাটাও ৰেলীত অংশগ্ৰহণ কৰে। শ্ৰীমোদীয়ে দ্বৈত ইঞ্জিনৰ বিজেপি চৰকাৰে পশ্চিমবংগত মহিলাসকলক দুগুণ উপকৃত কৰিব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ কয় যে বিজেপিয়ে মহিলাসকলৰ সমৃদ্ধি, মৰ্যাদা আৰু নিৰাপত্তাক অগ্ৰাধিকাৰ দি আহিছে। কংগ্ৰেছৰ সৈতে গোপন বুজাবুজিৰে তৃণমূল কংগ্ৰেছে বিধান পৰিষদসমূহত মহিলাৰ অংশগ্ৰহণত বাধা দিয়া বুলিও তেওঁ অভিযোগ তোলে। মমতা বেনাৰ্জী নেতৃত্বৰ চৰকাৰে স্থানীয় লোকসকলতকৈ বহিৰাগতক অধিক সুবিধা প্ৰদান কৰাৰ ৰাজনীতি কৰা বুলিও তেওঁ উল্লেখ কৰে।

বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই জলপাইগুৰিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। দলীয় নেতা তথা ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহাই মুৰ্ছিদাবাদৰ জিয়াগঞ্জ আৰু কাণ্ডিত আয়োজিত ৰোড শ্ব'ত ভাগ লৈ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

তৃণমূল কংগ্ৰেছৰ সভাপতি তথা পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পূব বৰ্ধমান জিলাৰ কাল্না আৰু হুগলী জিলাৰ তাৰকেশ্বৰত কালি প্ৰচাৰ চলায়। শ্ৰীমতী বেনাৰ্জীয়ে কয় যে ৰাজ্যখনত বিজেপি শাসনলৈ আহিলে তৃণমূল কংগ্ৰেছে সূচনা কৰা সকলো কল্যাণমূলক আঁচনি আঁতৰ কৰিব। তেওঁ কন্যাশ্ৰী আঁচনিৰ অধীনত ৰাজ্যখনত ১ কোটি বালিকা উপকৃত হোৱা বুলিও প্ৰকাশ কৰে। কেন্দ্ৰত শাসনাধিষ্ঠিত বিজেপি নেতৃত্বাধীন চৰকাৰে লোকসভাত মহিলাৰ সংৰক্ষণ বিধেয়কখনৰ সৈতে সমষ্টিৰ সীমা পুনৰনিৰ্ধাৰণ বিধেয়কখনক সাঙুৰি লোৱা বুলি তেওঁ অভিযোগ তোলে। শ্ৰীমতী বেনাৰ্জীয়ে ২০২৩ চনৰ ছেপ্তেম্বৰতে গৃহীত হোৱা মহিলাৰ সংৰক্ষণ বিধেয়কখন কেন্দ্ৰীয় চৰকাৰে কিয় ৰূপায়ণ কৰা নাই বুলি প্ৰশ্ন কৰে।

কংগ্ৰেছ তথা বাওপন্থী দলসমূহৰ লগতে অন্যান্য দলসমূহেও পশ্চিমবংগৰ বিভিন্ন প্ৰান্তত সক্ৰিয়ভাৱে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

ooooo

তামিলনাডুৰ বিৰুধুনগৰ জিলাত কালি এটা ফটকা নিৰ্মাণকাৰী কাৰখানাত সংঘটিত ভয়াবহ বিস্ফোৰণত ২৩ জন লোকে প্ৰাণ হেৰুৱায়। আৰক্ষীৰ তথ্য অনুসৰি, ইয়াৰে এতিয়ালৈকে ১৯ টা মৃতদেহ চিনাক্ত কৰা হৈছে।জিলা প্ৰশাসন আৰু আৰক্ষীয়ে যুদ্ধকালীন ক্ষিপ্ৰতাৰে উদ্ধাৰ তথা সাহায্য অভিযান চলাই আছে আৰু এই সন্দৰ্ভত ইতিমধ্যে এটা গোচৰ ৰুজু কৰা হৈছে বুলি বিৰুধুনগৰৰ আৰক্ষী অধীক্ষকে প্ৰকাশ কৰিছে। এই মৰ্মান্তিক দুৰ্ঘটনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও দুৰ্ঘটনাটোত দুখ প্ৰকাশ কৰাৰ লগতে আহতসকলৰ দ্ৰুত আৰোগ্য কামনা কৰিছে। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনেও সামাজিক মাধ্যমৰ জৰিয়তে এই ঘটনাত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে।

ইপিনে, এই ঘটনাক লৈ ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাক্তন মন্ত্ৰী তথা এআইএডিএমকে নেতা কে টি ৰাজেন্দ্ৰ বালাজীয়ে ডিএমকে চৰকাৰক তীব্ৰ সমালোচন কৰি ৰাজ্যখনত ফটকা কাৰখানাত এনে দুৰ্ঘটনা বাৰে বাৰে সংঘটিত হৈ থকাৰ পাছতো চৰকাৰে ইয়াৰ প্ৰতিৰোধৰ বাবে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰিছে। এনে শোকাবহ ঘটনা ৰোধ কৰিবলৈ চৰকাৰক অতি শীঘ্ৰে যথোচিত ব্যৱস্থা ল'বলৈ তেওঁ দাবী জনাইছে।

০০০০০

ত্ৰিপুৰা জনজাতি এলেকা স্বায়ত্বশাসিত জিলা পৰিষদ - TTAADCৰ ভোট গণনাৰ পাছত ৰাজ্যখনৰ একাংশ স্থানত বিক্ষিপ্ত হিংসাত্মক ঘটনা সংঘটিত হৈছে যদিও বৰ্তমান পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন বুলি ত্ৰিপুৰাৰ আৰক্ষী সঞ্চালকপ্ৰধান অনুৰাগ ধনকৰে জানিবলৈ দিছে। পশ্চিম আগৰতলা থানা পৰিদৰ্শন কৰি সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত সঞ্চালকপ্ৰধানগৰাকীয়ে জনায় যে আৰক্ষীৰ দ্ৰুত আৰু কাৰ্যকৰী পদক্ষেপৰ ফলত অশান্তি জৰ্জৰ অঞ্চলসমূহলৈ পুনৰ স্বাভাৱিক অৱস্থা ঘূৰি আহিছে। আইন-শৃংখলা অটুট ৰাখিবলৈ প্ৰশাসনে যিকোনো ধৰণৰ বিশৃংখলতাক কঠোৰ হাতেৰে দমন কৰা বুলি তেওঁ উল্লেখ কৰে। ৰাজনৈতিক হিংসাৰ সৈতে জড়িত থকাৰ অভিযোগত কেইবাজনো ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে বুলিও তেওঁ সদৰী কৰে। বিশেষকৈ পূৰ্বেও উত্তেজনাৰ উদ্ভৱ হোৱা শিলাছড়ি আৰু মনুবনকুলৰ দৰে স্পৰ্শকাতৰ অঞ্চলসমূহ বৰ্তমান সম্পূৰ্ণ শান্তিপূৰ্ণ বুলি প্ৰকাশ কৰি জনসাধাৰণক কোনো ধৰণৰ উৰাবাতৰিত ভোল নগৈ শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ তেওঁ আহ্বান জনায়।

০০০০০

পশ্চিম এছিয়াৰ ভূ-ৰাজনৈতিক পৰিস্থিতিয়ে পুনৰ জটিল ৰূপ ধাৰণ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে পাকিস্তানত ইৰানৰ সৈতে এক গুৰুত্বপূৰ্ণ শান্তি আলোচনা অনুষ্ঠিত হোৱাৰ কথা ঘোষণা কৰিছিল যদিও ইৰাণে সেই দাবী পোনপটীয়াভাৱে অস্বীকাৰ কৰিছে। ইৰাণৰ চৰকাৰী সংবাদ সংস্থা IRNA'ই প্ৰকাশ কৰা অনুসৰি, ৱাশ্বিংটনৰ অযুক্তিকৰ চৰ্ত, স্থিতিৰ সঘনাই পৰিৱৰ্তন আৰু বৰ্তমান অব্যাহত থকা নৌ-অৱৰোধৰ বাবে তেহৰানে কোনো আলোচনাত বহিবলৈ মান্তি হোৱা নাই। ইৰাণে আমেৰিকাৰ এই নৌ-অৱৰোধক যুদ্ধবিৰতিৰ চৰ্তৰ উলংঘন বুলি অভিহিত কৰিছে।

ইয়াৰ মাজতে ইৰাণৰ ৰিপাব্লিকান গাৰ্ডে বিশ্ব বাণিজ্যৰ বাবে অতি গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালী বন্ধ কৰি দিছে। এতিয়াৰে পৰা যিকোনো বাণিজ্যিক জাহাজে এই জলপথেৰে পাৰ হ'বলৈ ইৰাণৰ সামৰিক বাহিনীৰ বিশেষ অনুমতি ল'ব লাগিব আৰু তেওঁলোকে নিৰ্ধাৰণ কৰি দিয়া পথেৰেহে যাতায়ত কৰিব পাৰিব - অন্যথা তেনে জাহাজক লক্ষ্য কৰি আক্ৰমণ চলোৱা হ'ব বুলি সকীয়াই দিয়া হৈছে। ইপিনে, ৰাষ্ট্ৰপতি ট্ৰাম্পে ইৰাণৰ এই স্থিতিক যুদ্ধবিৰতিৰ গুৰুতৰ উলংঘন বুলি অভিহিত কৰিছে। চুক্তিৰ সম্ভাৱনাক লৈ এতিয়াও আশাবাদী বুলি মন্তব্য কৰাৰ লগতে ট্ৰাম্পে স্পষ্ট কৰিছে যে ইৰাণে সহযোগিতা নকৰিলে আমেৰিকা যুক্তৰাষ্ট্ৰই যিকোনো সময়তে সামৰিক প্ৰত্যুত্তৰ দিবলৈ সাজু আছে। ইৰাণেও এই সমগ্ৰ পৰিস্থিতিক লেবাননৰ সংকটৰ সৈতে সাঙুৰি জনাইছে যে, তেওঁলোকৰ মিছাইল তথা ড্ৰোন ভাণ্ডাৰ যুদ্ধপূৰ্বকালীন অৱস্থাতকৈ অধিক দ্ৰুতগতিত বৃদ্ধি কৰা হৈছে, যি আমেৰিকাৰ বাবে স্পষ্ট প্ৰত্যাহ্বান।

আনহাতে, দক্ষিণ লেবাননত ইজৰাইলী বাহিনীয়ে 'ইয়েল্ল' লাইন' নিৰ্ধাৰণ কৰি নিজৰ নিয়ন্ত্ৰিত অঞ্চলসমূহ চিহ্নিত কৰিছে। যুদ্ধবিৰতি অব্যাহত থকাৰ মাজতো ইজৰাইলী সেনাই কেইবাখনো সীমান্তৱৰ্তী চহৰত ঘৰ-দুৱাৰ ধ্বংস কৰাৰ খবৰ পোৱা গৈছে। একে সময়তে য়েমেনৰ হুথি বিদ্ৰোহী বাহিনীৰ প্ৰতিৰক্ষা মন্ত্ৰীয়েও যিকোনো আগ্ৰাসনৰ বিৰুদ্ধে সতৰ্ক স্থিতিৰ কথা ঘোষণা কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতা যোৱানিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পঞ্জাৱ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫৪ ৰানত পৰাস্ত কৰে। পঞ্জাৱ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২৫৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ প্ৰিয়াংশ আৰ্য়াই ৩৭টা বলত ৯৩ আৰু কুপাৰ কনলিয়ে ৪৬টা বলত ৮৭ ৰানৰ অনবদ্য প্ৰদৰ্শন আগবঢ়ায়। প্ৰত্যুত্তৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই কেৱল ২০০ ৰানহে কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে এতিয়ালৈকে অপ্ৰতিৰোধ্য হৈ থকা পঞ্জাৱ কিংছে ৫ খন খেলত জয়লাভেৰে ১১ পইণ্ট লাভ কৰি তালিকাৰ শীৰ্ষত আছে।

প্ৰতিযোগিতাত কালি ইডেন গাৰ্ডেনছত অনুষ্ঠিত আন এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ৰাজস্থান ৰয়েলছক ৪ উইকেটত পৰাস্ত কৰে। আজি আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ইণ্ডিয়ান ছুপাৰ লীগৰ এখন গুৰুত্বপূৰ্ণ খেলত মোহন বাগান ছুপাৰ জায়েণ্টে কালি নৰ্থইষ্ট ইউনাইটেড এফ চি-ক ১-০ গ'লত পৰাস্ত কৰে। গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত বৰ্ষাবিঘ্নিত খেলখনত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত মোহন বাগানে শেষ হাহি মাৰিবলৈ সমৰ্থ হয়।

এই জয়ৰ সৈতে ৯ খন খেলৰ পৰা ২০ পইণ্ট লাভ কৰি মোহনবাগান ছুপাৰ জায়েণ্ট তালিকাৰ শীৰ্ষস্থানলৈ উন্নীত হৈছে আৰু দ্বিতীয় স্থানত থকা মুম্বাই চিটি এফ.চিতকৈ দুই পইণ্টৰ অগ্ৰগতি লাভ কৰিছে। আনহাতে, সমসংখ্যক খেলৰ পৰা মাত্ৰ ৭ পইণ্ট লাভ কৰা ঘৰুৱা দল নৰ্থ ইষ্ট ইউনাইটেড এফ.চি বৰ্তমান তালিকাৰ দ্বাদশ স্থানত আছে।

০০০০০

সমাপ্ত